# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 05-11-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*
**- - - - - - - - - - - - -**

১। ৰাজ্যৰ ৫টা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত।

২। বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে ৰাজ্যজুৰি আজি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন। চৰকাৰ, প্ৰশাসন তথা দল-সংগঠনৰ উদ্যোগত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ।

৩। কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনৰ গুৱাহাটীত ৰাজ্যৰ গৃহবিভাগৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠক। আত্মসমৰ্পণকাৰী উগ্ৰপন্থীৰ পূৰ্ণ সংস্থাপনকে ধৰি কেইবাটাও সমস্যা সন্দৰ্ভত আলোচনা। *আৰু*

৪। আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ ভাৰমণ্টত ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোটগ্ৰহণ।

০০০০০

০০০০০

ৰাজ্যৰ পাঁচটা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অব্যাহত আছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা হিমন্ত বিশ্ব শৰ্মাই আজি ধলাই বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থী নিহাৰ ৰঞ্জন দাসৰ হৈ নিৰ্বাচনী সভাত অংশ লয়। ইয়াৰ পাছত মুখ্যমন্ত্ৰীয়ে প্ৰাৰ্থীগৰাকীৰ হৈ পালাংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত নিৰ্বাচনী সভাতো ভাষণ দিয়ে। বিহালী সমষ্টিত আজি মন্ত্ৰী পীযূষ হাজৰিকা, সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা, ৰঞ্জীত দত্ত, মন্ত্ৰী কেশৱ মহন্ত আৰু অতুল বৰাই প্ৰচাৰ চলায়।

কংগ্ৰেছ দলৰ প্ৰাৰ্থীগৰাকীৰ হৈ আজি বঙাইগাঁৱত দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে। তেওঁ জনসাধাৰণক দুৰ্নীতিমুক্ত প্ৰশাসন আৰু উন্নয়নৰ স্বাৰ্থত দলৰ প্ৰাৰ্থীগৰাকীক জয়ী কৰাবলৈ আহ্বান জনায়। সাংসদ ৰকিবুল হুছেইনে আজি চামগুৰি সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী তানজিল হুছেইনৰ হৈ প্ৰচাৰ সভাত অংশ লয়।

ইফালে চিদলী সমষ্টিতো বিপিএফ প্ৰাৰ্থী বুদ্ধ বসুমতাৰীৰ হৈ দলৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে প্ৰচাৰত অংশ লয়।

০০০০০

বিশ্ব বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যুবাৰ্ষিকীৰ লগতে সংগতি ৰাখি ৰাজ্যজুৰি আজি বিভিন্ন দল-সংগঠনৰ উদ্যোগত বাৰেৰহনীয়া কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ জালুকবাৰীত থকা শিল্পীগৰাকীৰ সমাধিস্থলত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সমাধিস্থলত পুৱাৰে পৰা স্মৃতিচাৰণ সভা, সৰ্বধৰ্ম প্ৰাৰ্থনা, গীত-নৃত্যৰ অনুষ্ঠান আদি অনুষ্ঠিত হৈছে। পুৱাৰ বেলা বিত্ত, মহিলা আৰু শিশু কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগে আয়োজিত অনুষ্ঠানত অংশ

লৈ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানত সাংসদ বিজুলী কলিতা মেধি আৰু প্ৰাক্তন সাংসদ কুইন ওজা উপস্থিত থাকে। সভাত বিশিষ্ট লেখক, সাংবাদিক বিদ্যুৎ কুমাৰ ভূঞাই শিল্পীগৰাকীৰ জীৱন আৰু কৰ্মৰ বিষয়ে বক্তৃব্য আগবঢ়ায়। ইপিনে দীঘলীপুখুৰীৰ পাৰত থকা শিল্পীগৰাকীৰ প্ৰতিমূৰ্তিস্থলীতো সন্ধিয়া সদৌ অসম ছাত্ৰ সন্থাই ১০ হেজাৰ বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ ব্যৱস্থা কৰিছে।

**তেজপুৰত** অনুষ্ঠিত ভূপেন হাজৰিকাৰ মৃত্যুবাৰ্ষিকীৰ অনুষ্ঠানত বিধায়ক পৃথ্বীৰাজ ৰাভা আৰু জিলা আয়ুক্তকে ধৰি বহুকেইজন শিল্পী-সাহিত্যিকে অংশগ্ৰহণ কৰে। **কোকৰাঝাৰত** এই উপলক্ষে আয়োজিত অনুষ্ঠানত বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে শিল্পীগৰাকীৰ এটা পূৰ্ণাৱয়ব মূৰ্তি উন্মোচন কৰে। অনুষ্ঠানত শ্ৰী বড়োৰ লগত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কুলধৰ শইকীয়া, বড়ো সাহিত্য সভাৰ সভাপতি সুৰথ নাৰ্জাৰী আৰু বিধায়ক লৰেন্স ইছলাৰীও উপস্থিত থাকে। **গোলাঘাটত** স্মৃতি দিৱস উদযাপনৰ অনুষ্ঠানত জিলা ছাত্ৰ সন্থা আৰু ড০ ভূপেন হাজৰিকা স্মৃতি ৰক্ষা সমিতিৰ উদ্যোগত আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱগোস্বামীক ড০ ভূপেন হাজৰিকা সংহতি বঁটা প্ৰদান কৰা হয়। তদুপৰি চিৰাং, তিনিচুকীয়া, মঙলদৈ আদি জিলাতো বিশ্ব বৰেণ্য শিল্পীগৰাকীক সুঁৱৰি আজি সাংস্কৃতিক অনুষ্ঠান, বন্তি প্ৰজ্বলন আদি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰাৰ বাতৰি আমালৈ আহি আহিছে।

ooooo

সাংস্কৃতিক মন্ত্ৰালয়ে বৌদ্ধ ধৰ্মৰ সন্মানাৰ্থে আন্তঃৰাষ্ট্ৰীয় বৌদ্ধ পৰিসংঘৰ সহযোগত নতুন দিল্লীত আজিৰ পৰা দুদিনীয়া সন্মিলনৰ আয়োজন কৰিছে। এছিয়াক শক্তিশালী কৰি তোলাত বৌদ্ধ ধম্মৰ ভূমিকাক মূল বিষয়বস্তু হিচাপে লৈ এই সন্মিলনৰ আয়োজন কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি কয় যে, ভাৰত ধম্মৰ পৱিত্ৰ ভূমি আৰু প্ৰত্যেক যুগতে এই পৱিত্ৰ ভূমিত মহান গুৰু আৰু সাধকৰ জন্ম হৈছে। তেওঁ কয় যে এই পথ প্ৰদৰ্শকসকলৰ মাজত ভগৱান বুদ্ধৰ অনন্য স্থান আছে। তেওঁ কয় যে, বুদ্ধ গয়াৰ বোধিবৃক্ষৰ তলত সিদ্ধাৰ্থ গৌতমে জ্ঞান লাভ কৰাটো ইতিহাসৰ অভূতপূৰ্ব ঘটনাৰূপে বিবেচিত হৈ আহিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে বিশ্ব সম্প্ৰতি বিভিন্ন ক্ষেত্ৰত অস্তিত্বৰ সংকটত ভোগাৰ এই সময়ত বৌদ্ধ সম্প্ৰদায়ৰ মানৱ জাতিক যথেষ্ট দিব পাৰে। এছিয়াক শক্তিশালী কৰি তোলাত বৌদ্ধ ধৰ্মৰ ভূমিকা আৰু বৌদ্ধ ধৰ্মই এছিয়া তথা বিশ্বলৈ কেনেকৈ বাস্তৱিক শান্তি ঘূৰাই আনিব পাৰে, তাক লৈ চৰ্চা কৰাৰ আৱশ্যকতা আছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় জাহাজ, পৰিবহণ আৰু বন্দৰ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সামুদ্ৰিক অৰ্থনীতিৰ ক্ষেত্ৰত ভাৰতৰ আমূল সম্ভাৱনাৰ কথা উল্লেখ কৰি কৈছে যে, ভাৰত অনতিপলমে সামুদ্ৰিক বাণিজ্যৰ বাবে গন্তব্যস্থানত পৰিণত হ'ব। আজি চেন্নাইত অনুষ্ঠিত The Week Maritime সন্মিলনত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে কয়। তেওঁ লগতে কয় যে কেন্দ্ৰীয় চৰকাৰে আৰু অধিক নিযুক্তিৰ সৃষ্টি, সম্পদ আৰু বহনক্ষম দৃষ্টিভংগীৰে পূৰ্বৰ সেই ঐতিহ্য ঘূৰাই আনিবলৈ আগ্ৰহী। বিগত বৰ্ষত চৰকাৰে ১০০ বিলিয়ন ডলাৰ পৰ্যন্ত বিনিয়োগ আকৰ্ষিত কৰিছিল বুলিও মন্ত্ৰীজনে উল্লেখ কৰে। ভাৰতক সুস্থ আন্তঃগাঁথনিৰে সৈতে সৰ্বজন প্ৰিয় গন্তব্যস্থান হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে সাগৰমালা, সাগৰসেঁতু, সাগৰ সমৃতিৰ দৰে কেতবোৰ প্ৰকল্পৰ কাম আৰম্ভ কৰা হৈছে। দেশৰ ৯টা বন্দৰ বিশ্ব পৰ্যায়ৰ স্থানত আছে আৰু ভাৰতৰ জাহাজ নিৰ্মাণ উদ্যোগ বিশ্বৰ

শীৰ্ষ ৫ খন দেশৰ ভিতৰত স্থান লাভৰ দিশত অগ্ৰসৰ হৈছে। ভাৰতৰ আভ্যন্তৰীণ জলপথ দেশখনৰ অৰ্থনৈতিক বিকাশৰ অন্যতম পথ হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০

নীতি আয়োগে জল ব্যৱস্থাপনা, সংৰক্ষণ আৰু বহনক্ষমতা সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে কাইলৈ ১৫ দিনীয়া জল উৎসৱ অভিযান আৰম্ভ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা বছৰ ডিচেম্বৰত অনুষ্ঠিত মুখ্য সচিবসকলক তৃতীয় সন্মিলনত নদী উৎসৱৰ লেখিয়াকৈ জল উৎসৱ উদযাপনৰ বাবে আগবঢ়োৱা প্ৰস্তাৱ অনুসৰি এই অভিযানৰ আয়োজন কৰা হৈছে। নীতি আয়োগে এটা বিবৃতিযোগে কৈছে যে, ৬ ৰ পৰা ২৪ নৱেম্বৰলৈ দেশৰ ২০ খন অভিলাসী জিলা আৰু বিভিন্ন উন্নয়ন খণ্ডত জল উৎসৱ অভিযান ৰূপায়ণ কৰা হৈছে। ৰাষ্ট্ৰীয় জল জীৱন মিছন, খোৱাপানী আৰু অনাময় বিভাগ আৰু জলশক্তি মন্ত্ৰালয়ৰ সহযোগিতাত এই অভিযানৰ  আয়োজন কৰা হৈছে। এই অভিয়ানৰ জৰিয়তে জল সংৰক্ষণ আৰু জল সম্পদৰ সুৰক্ষাৰ ক্ষেত্ৰত সমূহীয়া অংশগ্ৰহণ সুনিশ্চিত কৰিব বিচৰা হৈছে।

০০০০০

সংসদৰ শীতকালীন অধিবেশন ২৫ নৱেম্বৰত আৰম্ভ হ'ব আৰু ২০ ডিচেম্বৰত অধিবেশনৰ সামৰণি পৰিব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সামাজিক মাধ্যমযোগে জনাইছে যে, সংবিধান গ্ৰহণৰ ৭৫ সংখ্যক জয়ন্তী ২৬ নৱেম্বৰত সংবিধান সদনৰ কেন্দ্ৰীয় কক্ষত উদ্‌যাপন কৰা হ'ব।

০০০০০

চৰাইদেউ মৈদামস্থলীক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাভুক্ত কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকাৰ বাবে ভাৰতীয় পূৰাতত্ব জৰীপ বিভাগৰ প্ৰাক্তন সঞ্চালক প্ৰধান ড০ কে চি নৌৰীয়াললৈ টাই আহোম যুৱ পৰিষদে ২০২৪ বৰ্ষৰ মহাবীৰ লাচিত বঁটা আগবঢ়াইছে। আজি দিছপুৰ প্ৰেছক্লাবত আয়োজিত এখন সংবাদমেলত পৰিষদৰ নেতৃবৃন্দই এই কথা ঘোষণা কৰি কয় যে, চৰাইদেউ মৈদামস্থলীক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাভুক্ত কৰা সমগ্ৰ প্ৰক্ৰিয়াত তত্বাৱধায়ক হিচাপে হাতপুথি প্ৰস্তুত কৰাকে ধৰি যাৱতীয় নীতি আৰু পৰিকল্পনা প্ৰস্তুত কৰি বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰাৰ বাবে ড০ নৌৰিয়ালক ২০২৪ বৰ্ষৰ মহাবীৰ লাচিত বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। অহা ২৪ নৱেম্বৰত গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত হ'বলগীয়া মহাবীৰ লাচিত দিৱসৰ অনুষ্ঠানত তেওঁক এখন হেংদাং, এযোৰ টাই আহোমৰ পৰম্পৰাগত সাজ-পোছাক, প্ৰশস্তিপত্ৰ, স্মাৰক সম্বলিত এই বঁটা প্ৰদান কৰা হ'ব।

০০০০০

কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে আজি গুৱাহাটীত ৰাজ্যৰ গৃহ বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত ৰাজ্যৰ মুখ্য সচিব, আৰক্ষী সঞ্চালকপ্ৰধান, গৃহ সচিব আদি জ্যেষ্ঠ বিষয়াসকলে অংশ লোৱা এই বৈঠকত আদিবাসী আৰু কাৰ্বি উগ্ৰপন্থী গোটকে ধৰি কেইবাটাও সংগঠনৰ সৈতে শান্তি চুক্তি ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰা হয়। এই আলোচনাত আত্মসমৰ্পণকাৰী তথা মূল সুঁতিলৈ উভতি অহা উগ্ৰপন্থী সংগঠনসমূহৰ সদস্যৰ পুনৰ সংস্থাপন আদি বিষয়ত আলোকপাত কৰা হয়।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভাৰমণ্টত আজি ৰাষ্ট্ৰপতিৰ নিৰ্বাচনী ভোটগ্ৰহণ প্ৰক্ৰিয়া অনুষ্ঠিত হৈছে। এইবাৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে ৰিপাব্লিকান দলৰ হৈ ডোনাল্ড ট্ৰাম্প আৰু ডেমক্ৰেটিক দলৰ হৈ কমলা হেৰিছে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ডোনাল্ড ট্ৰাম্পে মিচিগান চহৰত আৰু কমলা হেৰিছে পেঞ্চিলভেনিয়াত

নিজৰ প্ৰচাৰ অভিযানৰ সামৰণি মাৰে। মুঠ ৫৩৮ ভোটৰ ভিতৰত ২৭০টা ভোট লাভ কৰা প্ৰতিদ্বন্দ্বিজনকে বিজয়ী বুলি ঘোষণা কৰা হ'ব। ফ্লৰিডা ইউনিভাৰছিটিৰ নিৰ্বাচনী লেবে প্ৰকাশ কৰা মতে, ৮২ নিযুতৰকৈও অধিক ভোটাৰে নিজৰ ভোটৰ অধিকাৰ ইতিমধ্যে সাব্যস্ত কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰত ২৪৪ নিযুত পঞ্জীভুক্ত ভোটদাতা আছে। ২০২০ চনৰ নিৰ্বাচনত ৬৬ শতাংশ ভোটদাতাই গণতান্ত্ৰিক ভোটৰ অধিকাৰ সাব্যস্ত কৰিছিল। এইবাৰৰ নিৰ্বাচনত দুয়োজন প্ৰাৰ্থীয়ে তুমুল প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে বুলি ভোটগ্ৰহণকাৰীসকলৰ পৰা জানিব পৰা গৈছে।

০০০০০

অসমীয়া ভাষাই ধ্ৰুপদী ভাষা হিচাপে লাভ কৰা স্বীকৃতিক উদযাপন কৰাৰ উদ্দেশ্যে অসম চৰকাৰৰ উদ্যোগত ৰাজ্যৰ বিভিন্ন ঠাইত ৩ নৱেম্বৰৰ পৰা ৯ নৱেম্বৰলৈ ভাষা গৌৰৱ সপ্তাহ পালন কৰা হৈছে। এই উপলক্ষে গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আয়োজিত ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীত আজি এলানি বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। উদ্বোধনী ভাষণত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ প্ৰাণজিৎ কুমাৰ নাথে অসমীয়া ভাষাৰ গৌৰৱময় ঐতিহ্য আৰু ধ্ৰুপদী ভাষাৰ স্বীকৃতিৰ বিষদ আলোচনা আগবঢ়ায়। একেটা অনুষ্ঠানতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে বক্তৃতা প্ৰদান কৰে। ইপিনে তিনিচুকীয়া জিলাত ভাষা গৌৰৱ সপ্তাহ উপলক্ষে গ্ৰাম্য জীৱিকা অভিযানৰ উদ্যোগত গাঁৱে গাঁৱে সজাগতামূলক সভাৰ আয়োজন কৰে।

ভাষা গৌৰৱ সপ্তাহ উপলক্ষে আজি যোৰহাট জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সভাত কাৰ্যালয়ৰ সকলো বিষয়া-কৰ্মচাৰীৰ উপস্থিতি জিলা কৃষি বিষয়াই অসমীয়া ভাষাৰ উৎপত্তি, অসমীয়া ভাষাত প্ৰকাশ পোৱা কাকত-আলোচনী আদিৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰে।

০০০০০

অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত সামূহিক বিজ্ঞান মহাবিদ্যালয়ৰ খাদ্য, বিজ্ঞান আৰু পৰিপুষ্টি বিভাগৰ উদ্যোগত আজিৰে পৰা খাদ্য সমৃদ্ধিকৰণক বিষয়বস্তু হিচাপে লৈ এখন ৰাষ্ট্ৰীয় সন্মিলন আৰম্ভ হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ত অনুষ্ঠিত দুদিনীয়া এই সন্মিলনৰ সুভাৰম্ভণি অনুষ্ঠানত মুখ্য অতিতি হিচাপে অংশগ্ৰহণ কৰি অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ বিদ্যুৎ চন্দন ডেকাই সু-স্বাস্থ্যৰ বাবে সমৃদ্ধ খাদ্যভাষৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানটোত ভাৰতৰ খাদ্য সুৰক্ষা আৰু মানদণ্ড কৰ্তৃপক্ষৰ কাৰ্যবাহী সঞ্চালক ঈনশ্বী শৰ্মাই ভাৰতত খাদ্য পৰিপুষ্টিৰ প্ৰেক্ষাপটত পুষ্টিহীনতা আৰু ইয়াৰ বাবে চৰকাৰে গ্ৰহণ কৰা কাৰ্যসূচীৰ বিষয়ে আলোকপাত কৰে।

০০০০০

জীৱিকা আৰু উদ্যোগ বিকাশ কাৰ্যসূচীৰ অংশ হিচাপে বাক্সা জিলাৰ চৰ্ণাট আজি নাবাৰ্ডৰ উদ্যোগত আৰু অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ সহযোগত মৃত শিল্প প্ৰদৰ্শন তথা উৎপাদনৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰশিক্ষণ কাৰ্যসূচীত নাবাৰ্ডৰ জৰিয়তে আধুনিক পদ্ধতিৰে মৃত শিল্পক এটা নতুন ৰূপ প্ৰদান কৰি ইয়াৰ ৯০ গৰাকী মহিলাক জীৱিকা আৰু উদ্যোগ বিকাশ কাৰ্যসূচীৰ অধীনত প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই জীৱিকা আৰু উদ্যোগ বিকাশ কাৰ্যসূচীৰ প্ৰশিক্ষণত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ষট পূজা উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা শুভেচ্ছা বাৰ্তাত এই শুভক্ষণত ছঠি মাইয়া আৰু সূৰ্যদেৱে নিজৰ আশীষেৰে সকলোৰে জীৱন ধন্য কৰিব বুলি আশা প্ৰকাশ কৰিছে। তেওঁ লগতে সকলোৰে সুখ, শান্তি আৰু সমৃদ্ধিৰ কামনা কৰিছে।

সমাগত ষট পূজা শান্তিপূৰ্ণভাৱে উদযাপন কৰাৰ লক্ষ্যৰে পূজাৰ সময়ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা লাচিত ঘাটলৈ বাহন চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। টিআৰপি ৰোডত বাণিজ্যিক বাহন পাৰ্কিঙতো নিষেধাজ্ঞা জাৰি কৰা হৈছে। নিশা ৮ বজাৰ পৰা ১০ বজালৈহে ফটকা ফুটুৱাৰ অনুমতি প্ৰদান কৰা হৈছে। চুণচালি ঘাটতো বিশেষ সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। নৈৰ ঘাটত পূজাৰ সময়ত অঘটন নহ'বলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী আয়ুক্তগৰাকীয়ে নিৰ্দেশ জাৰি কৰিছে। আৰক্ষীৰ উপৰি পূজা সমিতিয়ে নিজাববীয়াকৈ স্বেচ্ছাসেৱক নিয়োগ কৰিব লাগিব বুলি কোৱা হৈছে। আনহাতে ভিৰ নিয়ন্ত্ৰণ কৰিবলৈ পৃথক পৃথক প্ৰৱেশ আৰু প্ৰস্থানৰ ব্যৱস্থা থাকিব লাগিব। পুৱা আৰু সন্ধিয়াৰ সময়ত ৰাইজৰ আহ-যাহ কৰাত যাতে কোনো সমস্যাৰ সৃষ্টি নহয় তাৰ বাবে সমিতিসমূহক স্থানীয় আৰক্ষীৰ সহায় ল'বলৈ আহ্বান জনোৱা হৈছে। সাংস্কৃতিক অনুষ্ঠান বা সমদলৰ নামত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নকৰিবলৈ গুৱাহাটী আৰক্ষীয়ে জনসাধাৰণক আহ্বান জনাইছে।

ষট পূজা উপলক্ষে **বৰপেটা** জিলাত প্ৰশাসনে কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। পূজা উদযাপনৰ স্থানসমূহত নিৰাপত্তা বৃদ্ধিৰ ব্যৱস্থা কৰাৰ লগতে অতিৰিক্ত সুৰক্ষাবাহিনী মোতায়েনৰো ব্যৱস্থা কৰিছে। **দৰং** জিলাতো ষট পূজা সুকলমে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

ooooo

কাইলৈৰ পৰা মলদ্বীপত অনুষ্ঠিত হ'বলগীয়া ৱৰ্ল্ড বডি বিল্ডিং এণ্ড ফিজিক ছেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় দলটোত অসমৰ চাৰি গৰাকী খেলুৱৈয়ে স্থান লাভ কৰিছে। সবিতা বনিয়া, প্ৰকাশ প্ৰধান, সুভদ্বীপ বৈদ্য আৰু পৱিত্ৰ নাথে এই দলত স্থান পাইছে। উল্লেখযোগ্য যে, এই প্ৰতিযোগিতাখন অহা ১১ নৱেম্বৰত সামৰণি পৰিব।

ooooo

সমাপ্ত